ৰাজ্যসভাত সভাপতিৰ অনুমতি সাপেক্ষে উত্থাপন কৰা বিষয়

ভাৰতীয় মাছমৰীয়াক হত্যাৰ অপৰাধত অভিযুক্ত দুই নাবিকক ইটালীৰ চৰকাৰে নপঠোৱাৰ সিদ্ধান্ত

বিৰোধী নেতা (শ্ৰী অৰুণ জেটলি) : উপ সভাপতি মহোদয়, আমাৰ দেশ প্ৰতাৰিত হৈছে, সেয়েহে অত্যন্ত ক্ষোভ আৰু বেদনাৰে মই জনস্বাৰ্থৰ সৈতে জড়িত এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিছো। দুজন ইটালীৰ নাবিক, যি কেৰালাত ভাৰতীয় মাছমৰীয়াক হত্যাৰ অভিযোগত অভিযুক্ত, তেওঁলোক পলাতক হৈ পৰিছে। তেওঁলোকৰ পলায়ন হ'ল ভাৰত চৰকাৰ আৰু উচ্চতম ন্যায়ালয়ৰ লগতে এখন সাৰ্বভৌম দেশৰ জালিয়তি। আমি ৰাষ্ট্ৰৰ জৰিয়তে সন্ত্ৰাসবাদৰ কথা শুনিছো। কিন্তু এখন দেশৰ আইনৰ শাসনৰ ওচৰত দায়বদ্ধ হোৱাৰ পাছত এনেদৰে ৰাষ্ট্ৰৰ সহযোগত প্ৰতাৰণা কৰিব আৰু ৰাষ্ট্ৰৰ সহযোগত অপহৰণ কৰিব, এইটো সম্ভৱতঃ প্ৰথমবাৰ ঘটিল। এইটো ৰাষ্ট্ৰৰ সহযোগত অপহৰণ, কাৰণ, প্ৰথমে তেওঁলোকে উচ্চতম ন্যায়ালয়লৈ যায় আৰু এইটো অজুহাত দেখুৱাই যে, অভিযুক্ত দুজনক গৃহলৈ উভতি যাবলৈ দিয়াৰ অনুমতি দিয়া হওঁক, কাৰণ, তেওঁলোকে বৰদিন পালন কৰিব। ভাৰতবৰ্ষৰ বিচাৰ ব্যৱস্থা যিহেতু সভ্য, সেয়েহে আদালতে তেওঁলোকৰ অনুৰোধ মানি লয়। দ্বিতীয় অজুহাত কিছু কৌতুহলকৰ। ভোট দিয়াৰ বাবে তেওঁলোকক নিজ দেশলৈ উভতি যাবলৈ দিয়া হওঁক। আইনৰ বিষয়ে মই যি সামান্য জানো তাৰ পৰা ক'ব পাৰো যে– এজন যেতিয়া কাৰাগাৰত থাকে তেতিয়া তেওঁৰ ভোট দিয়াৰ অধিকাৰ নাথাকে। সেয়ে এজন ভাৰতীয় বন্দীয়ে যদি আদালতত অনুৰোধ কৰে ভোট দিয়াৰ বাবে তেওঁক মুকলি কৰি দিয়া হওঁক তেন্তে তেওঁৰ অনুৰোধ কেতিয়াও ৰক্ষা কৰা নহয়।

শ্ৰী অৰুণ জেটলি (ক্ৰমশঃ)ইয়াৰ উপৰিও যদি কোনো ইটালীৰ নাগৰিক আন দেশত থাকে, কাৰাগাৰৰ ভিতৰত বা বাহিৰত, তেওঁলোকৰ বাবে এটা সুবিধা আছে, মই ইটালীৰ গৃহ মন্ত্ৰালয়ৰ বিজ্ঞপ্তি পঢ়িছো, ''যিসকল ইটালীৰ নাগৰিক দেশৰ বাহিৰত আছে, তেওঁলোকে ডাকযোগে ভোট দিব পাৰে।'' সেয়েহে তেওঁলোকে ডাকযোগে সহজে ভোট দিব পাৰিলেহেঁতেন। এইটো ধাৰণা হৈছে যে– পূৰ্বৰে পৰা সকলো ঠিক কৰি ৰখা হৈছিল। কাৰণ যেতিয়া তোমাৰ নিজৰ দেশৰ আইনে ডাকযোগে ভোট দিয়াৰ অধিকাৰ দিয়ে, তেনেক্ষেত্ৰত উচ্চতম ন্যায়ালয়ত আৱেদন জনোৱা হ'ল যে দেশলৈ উভতি যোৱাৰ অনুমতি দিয়া হওঁক, আৰু আদালতেও আজি পৰ্যন্ত যি নিৰ্দেশ দিয়া নাই সেই নিৰ্দেশ দিলে আৰু দুই বন্দীক দেশলৈ উভতি যাবলৈ দিলে। তেওঁলোকৰ হৈ সেই দেশে হলফনামা দিলে। মই দায়িত্বসহকাৰে ক'ব পাৰো যে– ইটালীৰ ৰাষ্ট্ৰদূতে সেই দেশৰ সাৰ্বভৌম চৰকাৰৰ হৈ যি হলফনামা দিছে তাত ইটালীৰ প্ৰধানমন্ত্ৰীয়ে অনুমোদন দিছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ত সাৰ্বভৌম হলফনামাৰ পিচত তেওঁলোকক বিদেশলৈ যাবলৈ দিয়া হয়। তাৰপাছত ইটালীৰ চৰকাৰে মত সলনি কৰি কৈছে, বিচাৰ ক'ত হ'ব সেই লৈ যিহেতু আমাৰ মত বিৰোধ আছে, সেয়েহে আমি তেওঁলোকক যাবলৈ নকওঁ। আৰু তেওঁলোক এতিয়া ভাৰতীয় আইন অনুযায়ী পলাতক। ভাৰতীয় আইন অনুযায়ী বিচাৰৰ এলেকা সংক্ৰান্তীয় বিৰোধৰ মীমাংসা কৰা যায় যেতিয়া আমাৰ নাগৰিকৰ শাস্তিৰ প্ৰসংগ আহে। ১৯৮৪ চনৰ ঘটনা, যি ভাৰতত ঘটিছিল, সেই লৈ আমেৰিকাৰ আদালতত গোচৰ তৰা হৈছিল। আমি তাত যিয়েই নকওঁ লাগে সেই দেশৰ আদালতৰ এই গোচৰ বিচাৰৰ কোনো অধিকাৰ নাই। আৰু আমাৰ দেশত এইটো তৃতীয়বাৰৰ বাবে ঘটিল। ১৯৮০ ৰ সময়ত যেতিয়া প্ৰতিৰক্ষা লেনদেনৰ সন্দৰ্ভত অভিযোগ আহিল তেতিয়া কোনোৱে ভাৰতৰ

পৰা পলাই মালয়েছিয়া আৰু পাছত আৰ্জেণ্টিনা পালেগৈ, তাত আশ্ৰয় পালে আৰু আমি অসহায়ভাৱে চাই থাকিলো। ভি ভি আই পি হেলিকপ্টাৰ চুক্তিত আমাৰ বিষয়াসকল সেই দেশলৈ গ'ল আৰু খালী হাতেৰে উভতি আহিল। আমাক এতিয়া কোৱা হৈছে কিছুমান ভাৰতীয় আৰু কিছুমান ইটালীৰ নাগৰিকৰ বিৰুদ্ধে তথ্য পোৱা গৈছে যি উতকোচ কাণ্ডত জড়িত থাকিব পাৰে তথা আমাৰ তদন্ত বেছিদূৰ আগুৱাব নোৱাৰে। এইটো এনে এটা গোচৰ য'ত ৰাষ্ট্ৰৰ সহায়ত ভ্ৰান্তি বিয়পোৱা হৈছে য'ত প্ৰকৃততেই ভাৰতীয় আদালতৰ অধিকাৰক্ষেত্ৰৰ বাহিৰলৈ পলাই গৈছে অভিযুক্ত। মহোদয় এনে অৱস্থাত আমি কি কৰা উচিত? আমি কি অসহায় ৰাষ্ট্ৰ হৈ থাকিব? ভাৰতে কি একো নকৰিব?

মহোদয়, মোৰ বক্তব্য হ'ল, এই তিনিটা অভিজ্ঞতাৰ পিচত মোৰ ধাৰণা হয়, এতিয়া সময় আহি পৰিছে ৰোমানসকলে যিদৰে আমাৰ সৈতে ব্যৱহাৰ কৰিছে ঠিক সেইদৰেই তেওঁলোকৰ সৈতে ব্যৱহাৰ কৰা। সেয়েহে তেওঁলোকে যেতিয়া কূটনীতিৰ যাৱতীয় নীতি ভঙ্গ কৰিছে তেনে অৱস্থাত ভাৰত চৰকাৰ সক্ৰিয় হওঁক আৰু কওঁক আমিও এতিয়া কূটনৈতিক ৰীতি-নীতি মানিবলৈ বাধ্য নহয়।

মহোদয়, মোৰ সন্দেহ আছে, তাতে এতিয়া আইন মন্ত্ৰীও আছে, তেওঁক মই অনুৰোধ জনাম বিবেচনাৰ বাবে যে, যদি ইটালীৰ ৰাষ্ট্ৰদূতে, যি ইটালীৰ চৰকাৰৰ তৰফৰ পৰা সাৰ্বভৌম হলফনামা দিছে, তেওঁ এই গোচৰত কূটনৈতিক সা-সুবিধা পোৱাৰ যোগ্য নে? তেওঁতো উচ্চতম ন্যায়ালয়ৰ কাষত এই কথা কৈছিল। যেতিয়া তেওঁ এবাৰ উচ্চতম ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্ৰৰ আওতালৈ আহিছে, তেতিয়া তেওঁ আৰু কূটনৈতিক সা-সুবিধাৰ দাবী কৰিব নোৱাৰে। দ্বিতীয়তে মহোদয়, ভিয়েনা ৰীতি হ'ল ১৯৬১ চনৰ সংবিধানৰ পিচৰ সমাৰোহ। আমি ইয়াক ঘৰুৱা আইনৰ দৰে ৰূপ দি প্ৰণয়ণ কৰিছো। এখন স্বাভাৱিক ঘৰুৱা আইন কেতিয়াও ভাৰতৰ সংবিধানৰ ওপৰলৈ যাব নোৱাৰে। আদালত অৱমাননাৰ বাবে ১২৯ অনুচ্ছেদ অনুযায়ী শাস্তি প্ৰদানৰ ক্ষমতা উচ্চতম ন্যায়ালয়ৰ আছে। ভিয়েনা সমাৰোহ কেতিয়াও ভাৰতীয় সংবিধানৰ ১২৯ অনুচ্ছেদ ৰদ কৰিব নোৱাৰে।

অৰুণ জেটলি (ক্ৰমশ) মহোদয় সেয়েহে, সময় আহি পৰিছে সক্ৰিয় হোৱাৰ। বিশেষভাৱে আমি যেতিয়া এই ধৰণৰ তৃতীয় ঘটনাৰ মুখামুখি হৈছো, তেনে অৱস্থাত মোৰ ধাৰণা হয়, বিষয়টোক যুক্তিযুক্ত পৰিণামৰ দিশে লৈ যাব লাগিব, তেতিয়া কূটনৈতিক বিষয়সমূহ পাহৰিব লাগিব। সেয়েহে এইক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ উদ্ধৃতি আছে যিটো আগতে ইমান গুৰুত্বপূৰ্ণ নাছিল। এটা প্ৰবাদ, যিটো আমাৰ বহুতৰে মনত থাকিব পাৰে, ''এবাৰ হ'লে কোৱা যায় সেইটো ঘটি গৈছে, দুবাৰ হ'লে কাকতলীয়ভাৱে হৈছে, তৃতীয়বাৰ হ'লে বুজিব লাগিব সেইটো শত্ৰুৰ কাম।'' এইটো ইয়ান ফ্লেমিঙৰ বিখ্যাত চৰিত্ৰ জেমছ বণ্ডৰ উক্তি। এতিয়া তুমি এনেদৰে যেতিয়া এজনক অপহৰণ কৰি নি ভাৰতীয় আদালতৰ অধিকাৰ ক্ষেত্ৰৰ বাহিৰলৈ লৈ গৈছে আৰু তাৰপাছত কৈছা, ভাৰতৰ যি হওঁক আমাৰ চোৱাৰ দৰকাৰ নাই, তেতিয়া ক'ব লাগিব, এই ঘটনাও শত্ৰুৰ কাম। সেয়েহে ভাৰত চৰকাৰে যেন এইবাৰ উত্তৰ দিয়ে আৰু বিষয়টো অত্যন্ত গুৰুত্ব দিয়ে।